# মানিক বন্দ্যোপাধ্যায়ৰ 'পদ্মানদীৰ মাঝি' : এটি আলোচনা

ড° দীপালি ৰায়

*পদ্মানদীৰ মাঝি* মানিক বন্দ্যোপাধ্যায়ৰ ঔপন্যাসিক পৰিক্ৰমাৰ অন্যতম কীৰ্তিস্তম্ভৰূপে সৰ্বজন স্বীকৃত। বাংলা উপন্যাস-সাহিত্যৰ বাস্তৱতাবাদী ধাৰাটোৰ প্ৰতিষ্ঠাত এইজনা ঔপন্যাসিকৰ বৰঙণিয়েই বোধহয় আটাইতকৈ বেছি। প্ৰায় দুকুৰিখন উপন্যাসৰ স্ৰষ্টা এইজনা লেখকৰ সমগ্ৰ সৃষ্টিৰ মূল উপজীৱ্য হৈছে জীৱনৰ জটিল বাস্তৱতাৰ স্বৰূপ সন্ধান। *দিবাৰাত্ৰিৰ কাব্য* উপন্যাসেৰে আৰম্ভ হোৱা এই অন্বেষণ শিল্প-সফলতা সহ গভীৰৰ পৰা গভীৰতৰ হৈছে *পদ্মানদীৰ মাঝি*-ৰ মাজত। প্ৰকৃত স্ৰষ্টাৰ বাবে জীৱন-অন্বেষণৰ কোনো স্পষ্ট সীমাৰেখা নাই। কঠিন বাস্তৱতাৰ বুকুত জীৱনৰ অন্তহীন সম্ভাৱনাৰ বিচিত্ৰ স্তৰ উন্মোচনৰ ঐকান্তিক সাধনাৰ বাবেই মানিক বন্দ্যোপাধ্যায়ৰ নাম বাংলা উপন্যাস-সাহিত্যত অবিস্মৰণীয় হৈ ৰ'ব। এই আলোচনাত বন্দ্যোপাধ্যায়ৰ *পদ্মানদীৰ মাঝি*-ৰ এক সামগ্ৰিক মূল্যায়ন কৰিবৰ যত্ন কৰা হৈছে।

মানিক বন্দ্যোপাধ্যায়ে *পদ্মা নদীৰ মাঝি* ৰচনা কৰে— ১৯৩৬ চনত। সেই একেই বছৰত সৰ্বভাৰতীয় বামপন্থী কবি-সাহিত্যিকসকলে 'প্ৰগতি লেখক সঙ্ঘ' নামৰ এক সংগঠনৰ জন্ম দিছিল। ১৯৪২ চনত এই সঙ্ঘৰ বঙ্গীয় শাখা হিচাপে জন্ম হৈছিল 'ফেচিষ্ট বিৰোধী লেখক ও শিল্পী সঙ্ঘ'-ৰ। *পদ্মানদীৰ মাঝি*-ৰ স্ৰষ্টা মানিক বন্দ্যোপাধ্যায় অৱশ্যে তেতিয়াও সেই সংগঠনৰ পৰা আঁতৰত। আনুষ্ঠানিকভাৱে তেতিয়াও তেওঁ কমিউনিষ্ট মতাদৰ্শত বিশ্বাসী হ'বলৈ বাকী। অৱশ্যে তেওঁৰ সৃষ্টিৰাজিত নতুন এক শ্ৰেণী-চেতনা আৰু সমাজ-বাস্তৱতাৰ জেদী মনোভাৱ ইতিমধ্যেই ফুটি উঠিছিল। সাহিত্য-জীৱনৰ সূচনা সম্পৰ্কে লেখকজনাই নিজেই এনেদৰে স্বীকাৰোক্তি দিছে, — "সচেতনভাবে বস্তুবাদেৰে আদৰ্শ গ্ৰহণ কৰে সেই দৃষ্টিভঙ্গী নিয়ে সাহিত্য কৰিনি বটে– কিন্তু ভাবপ্ৰবণতাৰ বিৰুদ্ধে প্ৰচণ্ড বিক্ষোভ সাহিত্যে আমাকে বাস্তবকে অবলম্বন কৰতে বাধ্য কৰেছিল....।"

'ভাব প্ৰবণতাৰ বিৰুদ্ধে প্ৰচণ্ড বিক্ষোভ'– এই মনোধৰ্ম লৈয়ে বাংলা উপন্যাস সাহিত্যত মানিক বন্দ্যোপাধ্যায়ৰ আৱিৰ্ভাৱ। এই মনোধৰ্ম এক নতুন বাস্তৱৰো নিৰ্ণায়ক। বন্দ্যোপাধ্যায়ে মাত্ৰ চাব্বিশ/সাতাইশ বছৰ বয়সত আলোচ্য উপন্যাসখনি ৰচনা কৰে। ইতিপূৰ্বে *দিবাৰাত্ৰিৰ কাব্য, জননী, পুতুল নাচেৰ ইতিকথা*— এই

2020.04.02 18

তিনিখন উপন্যাসৰ প্ৰকাশে বাংলা সাহিত্যত তেওঁৰ স্থান নিগাজী কৰি তুলিছেই। ইমান কোমল বয়সত উক্ত মনোধৰ্ম বা দৃষ্টিভঙ্গী তেওঁ কিদৰে আয়ত্ত কৰিলে সেই কথা ভাবিলে বিস্ময় মানিব লাগে। তেওঁৰ গ্ৰন্থাৱলীৰ 'ভূমিকা'ত প্ৰদত্ত তথ্যসমূহৰ পৰা জনা যায়, কৈশোৰ কালত চেটলমেন্ট বিভাগৰ কৰ্মচাৰী দেউতাকৰ সৈতে তেওঁ পদ্মাৰ পাৰত বাস কৰিবলগীয়া হৈছিল। তৎকালীন পূৰ্ববঙ্গৰ টাঙাইল, কুমিল্লা, নোৱাখালি, ঢাকা, বৰিশাল ইত্যাদি ঠাইৰ মাছমৰীয়া নাৱৰীয়াহঁতৰ জীৱন-যাত্ৰা সম্বন্ধে নিশ্চয়েই তেওঁৰ মনত কিছু সজাগ কৌতূহলৰ সৃষ্টি হৈছিল। সম্ভৱতঃ সাহিত্য-সৃষ্টিৰ পৰিকল্পনাও তেওঁ তেতিয়াই কৰি লৈছিল আৰু তাৰ বাবে অপৰিণত বয়সতে আৱশ্যকীয় উপকৰণ সংগ্ৰহৰ চেষ্টা একাগ্ৰতাৰে কৰি গৈছিল। তেওঁ সেইবোৰ অঞ্চলৰ মানুহৰ মুখৰ ভাষাও যথাসম্ভৱ নিয়াৰিকৈ আয়ত্ত কৰিছিল; কাৰণ তেওঁ বুজি পাইছিল যে ভাবালুতাবৰ্জিত বাস্তৱতাৰ সৃষ্টিত পৰিবেশ-নিৰ্ণায়ক আঞ্চলিক ভাষাৰ গুৰুত্ব অপৰিসীম।

*পদ্মানদীৰ মাঝি*-ত মানিক বন্দ্যোপাধ্যায়ে তৎকালীন পূৰ্ববঙ্গ আৰু এতিয়াৰ বাংলাদেশৰ সবাতোকৈ ভয়াবহ, ৰহস্যময়, দুৰন্ত নদী পদ্মাৰ প্ৰেক্ষাপটত জীৱন আৰু জীৱন-চৰ্যাক বাস্তৱ ৰূপ দিয়াৰ প্ৰয়াস কৰিছে। পদ্মাৰ সৈতে তাৰ উপকূলবৰ্তী শোষিত, অন্ত্যজ শ্ৰেণীৰ মানুহবোৰ যেন একাকাৰ, পৰস্পৰ অচ্ছেদ্য—মাছমৰীয়া জীৱনৰ সুখ-দুখ, হাঁহি-অশ্ৰু, প্ৰেম-অপ্ৰেম খেয়ালি পদ্মাৰ মেজাজ-মৰ্জিৰ ওপৰত যেন একান্তভাৱে নিৰ্ভৰশীল। পদ্মাৰ পাৰৰ মাছমৰীয়া মাঝিহঁতৰ মাছ মৰা কাৰ্য, সিহঁতৰ জন-জীৱন, মাছ ধৰা আৰু পণ্যদ্ৰব্যৰূপে সিবোৰ বজাৰত বিক্ৰী কৰা, সিহঁতৰ নাও, জাল, মাছ ধৰাৰ কিটিপ, গ্ৰাম্য জীৱন-যাত্ৰা, কলহ-কলৰৱ, জন্ম-মৃত্যু-বিবাহ, উৎসৱ-সংস্কাৰ, সিহঁতৰ Age group এই সমস্ত কথা উপন্যাসখনিত বিস্তাৰিতভাৱে পোৱা নগ'লেও, থুলমূলকৈ আটাইবোৰ কথাই সন্নিৱিষ্ট হৈছে বুলি ক'ব পাৰি। আচলতে এইবোৰৰ মাজেৰে উল্লিখিত মাছমৰীয়া সম্প্ৰদায়টোৰ জীৱনৰ আটাইবোৰ দিশ ফঁহিয়াই দেখুওৱাটোহে লেখকৰ প্ৰকৃত উদ্দেশ্য।

মানিক বন্দ্যোপাধ্যায়ে *পদ্মানদীৰ মাঝি* আৰু *পুতুল নাচেৰ ইতিকথা*— এই দুখন উপন্যাস প্ৰায় সমসাময়িকভাৱে ৰচনা কৰিছিল। কিন্তু, সেয়ে হ'লেও, দুয়োখন উপন্যাসৰ বিষয়বস্তুৰ উপস্থাপনত বিস্তৰ ব্যৱধান লক্ষ্য কৰা যায়। মন কৰিবলগীয়া যে উল্লিখিত দুয়োখন উপন্যাস গ্ৰামবাংলাৰ সাধাৰণ মানুহৰ জীৱন-যাত্ৰাৰ পটভূমিত ৰচিত। কিন্তু ৰচকৰ দৃষ্টিভঙ্গীৰ পাৰ্থক্যৰ হেতু পৰিবেশ, জীৱন-সমস্যা আৰু চৰিত্ৰ-ৰূপায়ণৰ ক্ষেত্ৰত দুয়োখন উপন্যাসেই স্বাতন্ত্ৰ্যৰ দাবী কৰিব পাৰে। মানিক বন্দ্যোপাধ্যায়ে সাহিত্য-সৃষ্টিত হাত দিয়াৰ পূৰ্বে বাংলা সাহিত্য-জগতত *কল্লোল*, *কালিকলম*, *প্ৰগতি* আদি পত্ৰিকাৰ আৱিৰ্ভাৱ ঘটিছিল। সেই সময়ত সাধাৰণ বঙালী পাঠক শৰৎচন্দ্ৰৰ গল্পক লৈ বলীয়া; প্ৰায়ভাগেই কাজী নজৰুলৰ কাব্য[illegible]

2020.04.0

ভক্ত। *প্ৰবাসী, ভাৰতী, বিচিত্ৰা* তেতিয়া অভিজাত পত্ৰিকা। ইতিমধ্যে সাহিত্যৰ বুকুলৈ আগমন ঘটিছে আধুনিকতাৰ। বিষয়বস্তুৰ নিৰ্বাচন, চৰিত্ৰ-ৰূপায়ণ, কাহিনীৰ ৰূপ-প্ৰদান— সকলোতে ৰাবীন্দ্ৰিক সুৰ পৰিহৃতপ্ৰায়। মানিক বন্দ্যোপাধ্যায়ক কিন্তু এই আধুনিকতায়ো পৰিতৃপ্ত কৰিব নোৱাৰিলে। এহাতে তথাকথিত ভদ্ৰ-জীৱনৰ সীমাৰ চকোৱা পাৰ হৈ নিম্নস্তৰৰ দৰিদ্ৰ জীৱনৰ সৈতে কৰা ঘনিষ্ঠতা, আৰু আনহাতে 'কিয়' নামৰ প্ৰশ্ন-ৰোগৰ তাড়না— এই দুই পৰিঘটনাৰ অনিবাৰ্য পৰিণতি হিচাপে তেওঁ প্ৰত্যক্ষ কৰিলে— "ভদ্ৰ জীবনে অনেক বাস্তবতা কৃত্ৰিমতাৰ আৰালে ঢাকা থাকে, গৰীব অশিক্ষিত খাটিয়ে মানুষেৰ সংস্পৰ্শে এসে ওই বাস্তবতা উলঙ্গৰূপে দেখতে পেতাম, কৃত্ৰিমতাৰ আবৰণটা আমাৰ কাছে ধৰা পৰে যেত। মধ্যবিত্ত সুখী পৰিবাৰেৰ শত শত আশা-আকাঙ্ক্ষা অতৃপ্ত থাকায়, শত শত প্ৰয়োজন না মেটাৰ চৰম ৰূপ দেখতে পেতাম নীচেৰ তলাৰ মানুষেৰ দাৰিদ্ৰ্য পীড়িত জীবনে" (লেখকেৰ কথা)। দৰিদ্ৰজনৰ ৰিক্ত-বঞ্চিত জীৱনৰ কঠিন-নগ্ন বাস্তৱতাই মানিক বন্দ্যোপাধ্যায়ৰ মধ্যবিত্ত চেতনাক তীব্ৰভাৱে জোকাৰি যায়; থৰক-বৰক হৈ পৰে বিশ্বাস আৰু সংস্কাৰৰ সুদৃঢ় ভেঁটি। সমকালীন বাংলা-সাহিত্যত বাস্তৱতা আৰু বলিষ্ঠ জীৱনৰ অভাৱ প্ৰত্যক্ষ কৰি সেইবাবেই তেওঁৰ মন ভাৰাক্ৰান্ত হৈ পৰে। সম্ভৱতঃ এই মানসিক সংঘাতৰ বাবেই তেওঁৰ লেখক হোৱাৰ, স্ৰষ্টা হোৱাৰ তীব্ৰ আকাঙ্ক্ষা জাগে। এনেদৰে মধ্যবিত্ত চেতনাৰ পৰা উদ্ভূত ভাবপ্ৰৱণতাৰ বিৰুদ্ধে প্ৰচণ্ড বিক্ষোভৰ তাড়না লৈয়ে তেওঁ সাহিত্য-ৰচনাত ব্ৰতী হয়। *পুতুল নাচেৰ ইতিকথা* তাৰেই প্ৰতিফলন মাত্ৰ। এই উপন্যাসখনৰ বিভিন্ন আখ্যানৰ মাজত প্ৰত্যক্ষ কৰা যায়— নায়কৰ মনোজগতত অন্তৰ্লীন হৈ থকা ভাববাদৰ সৈতে কঠিন বাস্তৱবোধৰ সংঘৰ্ষৰ প্ৰতিচ্ছবি। কিন্তু দ্বিধাবিভক্ত মধ্যবিত্ত চেতনাৰ এই দ্বন্দ্ববিক্ষুব্ধ চিত্ৰ মানিক বন্দ্যোপাধ্যায়ৰ বাস্তৱ-সন্ধানী জীৱনবোধ আৰু অভিজ্ঞতা অৰ্জনৰ সুদীৰ্ঘ যাত্ৰাপথৰ এটি অংশ মাত্ৰ। প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰাটো সমীচীন হ'ব যে, যি ভাববাদ আৰু অধ্যাত্মবাদৰ মোহ ছিন্ন কৰাটোৱে লেখকগৰাকীৰ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ প্ৰধান লক্ষ্য আছিল, *পুতুল নাচেৰ ইতিকথা*-ত কিন্তু সেই মোহ তেওঁ সম্পূৰ্ণৰূপে ত্যাগ কৰিব পৰা নাই। এইখন উপন্যাসত তেওঁৰ লক্ষ্য কিছু দূৰ পথভ্ৰষ্ট হৈছে বুলিয়ে বৰং ক'ব পাৰি। অৱশ্যে সেই মোহৰ লগে লগে তেওঁৰ মনৰ গভীৰত কৃষক-শ্ৰমিক জালোৱা-মজদুৰ আদি নিম্ন শ্ৰেণীৰ মানুহৰ বলিষ্ঠ, সহজ, সতেজ জীৱন সাৰ্থকভাৱে ৰূপায়ণ কৰাৰ তীব্ৰ আকাঙ্ক্ষা সদা জাগ্ৰত হৈ আছিল। অৱশেষত তেওঁৰ সেই আকাঙ্ক্ষা প্ৰথমবাৰৰ বাবে পৰিতৃপ্ত হ'ল *পদ্মানদীৰ মাঝি*-ৰ মাজেৰে। সমাজৰ তথাকথিত নিম্নজাতৰ মানুহ সম্পৰ্কে তেওঁৰ আশৈশৱ আৰ্জিত ব্যক্তিগত অভিজ্ঞতাৰ সমস্ত ভাণ্ডাৰ মুকলি হ'ল এইখন উপন্যাসৰ মাধ্যমেৰে।

তথাকথিত ভদ্ৰজীৱনৰ বাৰীৰ চাৰিটাপৰ বাহিৰৰ যি বিস্তৃত জীৱন, তাৰ সৈতে

2020.04.02 1

নিচেই ল'ৰালি কালতে তেওঁৰ পৰিচয় গাঢ় হৈছিল। সেই জীৱনৰ অধিকাৰী সাধাৰণ মানুহবোৰৰ সৈতে মিলা-মিছা কৰাৰ ক্ষেত্ৰত তেওঁ কোনো বাচ-বিচাৰ মানি চলা নাছিল। এফালে যিদৰে তেওঁ চহৰৰ পুৰণি লেতেৰা বৈঠক বস্তি অঞ্চলত অবাধ বিচৰণ কৰিছিল, আনফালে একেদৰে চহৰৰ আশে-পাশে থকা সৰু সৰু চালিঘৰেৰে গঢ় লৈ উঠা সৰু সৰু গাঁওবোৰ – য'ত বাৰিষা নদীৰ বুকু ওফন্দি উঠে আৰু খৰালি শুকাই যায়– সেইবোৰো আছিল তেওঁৰ সমানেই প্ৰিয়। এই ভালপোৱাই তেওঁক টানি নিছিল— নৈয়ে আবৰা পূৰ্ববাংলাৰ মাছমৰীয়া জীৱনৰ নিকট সান্নিধ্যলৈ। মাছমৰীয়া লোক-জীৱনৰ সৈতে নিবিড় পৰিচয়ৰ পৰিণতি স্বৰূপে ইমান দিন ধৰি যি অনুসন্ধিৎসাই তেওঁক অনবৰত খেদি ফুৰিছিল, মধ্যবিত্ত জীৱনৰ শঠতা, ভণ্ডামি, হীনমন্যতা, কৃত্ৰিমতা ইত্যাদিৰ পৰা বহু আঁতৰত যি বৃহত্তৰ মানৱ-সম্প্ৰদায় আছে, যাৰ পৰিচয় বিচাৰি তেওঁ চলাথ কৰিছিল— বাংলা সাহিত্যৰ বিভিন্ন লেখকৰ ৰচনা, অথচ পাবলৈ সমৰ্থ হোৱা নাছিল; অৱশেষত সেই অভাৱবোধক সাকাৰ ৰূপ দিয়াৰ উপায় তেওঁ বিচাৰি পায়— নিজৰ সৃষ্টিশীল সত্তাৰ মাজত। তাৰেই অন্য নাম *পদ্মানদীৰ মাঝি*।

নক'লেও চলে, *পদ্মানদীৰ মাঝি*-ত মানিক বন্দ্যোপাধ্যায়ে পদ্মাৰ পাৰৰ জালোৱা মাঝিহঁতৰ জীৱনৰ কাহিনী ৰচনা কৰিছে। এইসকল বঞ্চিত মানুহে জীৱনৰ চৰম দুখ-দৰিদ্ৰতাৰ মাজতো জীৱনৰ প্ৰাণৱন্ত সুঁতিটো প্ৰৱাহিত কৰি ৰাখিছে। সিহঁতৰ জীৱনৰ বৈশিষ্ট্যও সেইটোৱে। এই সহজ-সৰল অথচ বলিষ্ঠ জীৱনৰ বাস্তৱ ৰূপ চিত্ৰিত কৰিবলৈ যাওঁতে ঔপন্যাসিকজনাই প্ৰস্তুতি পৰ্বৰ বিচ্যুতি অতিক্ৰম কৰি ইয়াত স্বকীয়ত্ব অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। ইয়াত তেওঁ পদ্মানদীৰ মাছমৰীয়া আৰু নৌকাবাহী জীৱনৰ অংশীদাৰ; অখ্যাতজনৰ নিৰ্বাক মনৰ কবি। সৰ্বহাৰা মেহনতী জীৱনৰ বাস্তৱ কাহিনী সম্বলিত এইখন উপন্যাসৰ মাধ্যমেৰে বাংলা সাহিত্যত তেওঁ নিগাজী আসন দখল কৰাই নহয়, এক ধৰণৰ বিশিষ্টতাও অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। সাধাৰণজনৰ প্ৰতি থকা গভীৰ দৰদ, সহানুভূতি আৰু মমত্ববোধে ইয়াৰ কাহিনীভাগক এনেদৰে জীৱন্ত কৰি তুলিছে যে তাৰ পৰিচয় উপন্যাসখনিৰ প্ৰতিটো পৰিচ্ছেদতে সহৃদয় পাঠকে পোনপটীয়াভাৱে লাভ কৰিব পাৰে। মৎস্যজীৱী নাৱৰীয়া জীৱনৰ প্ৰতি লেখকৰ গভীৰ মমত্ববোধৰ উপৰি, এইখন উপন্যাসতে প্ৰথমবাৰৰ বাবে ভৌগোলিক পৰিবেশৰ পৰিধিৰ প্ৰসাৰতাৰো সুপ্ৰকাশ লক্ষ্য কৰা যায়। এই উপন্যাসখন ৰচনা কৰাৰ পূৰ্বেই তেওঁ উপন্যাসৰ পৰিবেশ বা পটভূমি নাগৰিক জীৱনৰ বাহিৰলৈ উলিয়াই নিছিল যদিও, তাৰ মূল সুৰটোক পৰিবেশৰ সৈতে অঙ্গাঙ্গীভাৱে মিশ্ৰিত কৰিবলৈ সমৰ্থ হোৱা নাছিল। চৰিত্ৰ-চিত্ৰণতো পৰিবেশৰ প্ৰভাৱক তেওঁ অমোঘ ৰূপ দিব পৰা নাছিল। সেয়ে হ'লেও, গ্ৰাম্য আৰু নাগৰিক জীৱন – দুয়োটা সত্তাই *পুতুল নাচেৰ ইতিকথা*-ৰ নায়কৰ মানসপটত ওচৰা-উচৰিকৈ

2020.04.

অৱস্থান কৰিছে। কিন্তু সি *পদ্মানদীৰ মাঝি*-ৰ দৰে নিকপকপীয়া নহয়।

মানিক বন্দ্যোপাধ্যায়ৰ পূৰ্বে বাংলা সাহিত্যত কোনো বিশেষ অঞ্চলক কেন্দ্ৰ কৰি যে উপন্যাস ৰচিত হোৱা নাছিল তেনে নহয়। উদাহৰণ স্বৰূপে শৈলজানন্দ, তাৰাশংকৰৰ ৰচনাত পোৱা যায় পশ্চিমবঙ্গৰ ৰাঢ় অঞ্চলৰ পৰিচয়; কিন্তু *পদ্মানদীৰ মাঝি*-ত পূৰ্ববাংলাৰ এক বিশেষ আঞ্চলিক ভূখণ্ডৰ যি পট পৰিবেশ বিন্যস্ত হৈছে, বাংলা উপন্যাসৰ সহৃদয় পাঠকৰ বাবে সেয়া অভূতপূৰ্ব, অজ্ঞাতপূৰ্ব অভিজ্ঞতা। কোৱা বাহুল্য যে লেখকে যেতিয়া কোনো বিশেষ ভৌগোলিক পৰিবেশৰ সৈতে মিলাই নাৰী পুৰুষৰ ছবি আঁকে, তেতিয়া স্বাভাৱিকতে সি হৈ পৰে পুৰুষানুক্ৰমে একে ধৰণৰ জীৱিকা আৰু জীৱন-চৰ্যাত অভ্যস্ত কোনো গোষ্ঠী-জীৱনৰ প্ৰতিচ্ছবি। আলোচ্য উপন্যাসখনো তাৰ ব্যতিক্ৰম নহয়। ইয়াতো দেখা যায়, পদ্মাৰ পাৰৰ নাৱৰীয়া-মাছমৰীয়া সম্প্ৰদায়ৰ প্ৰাত্যহিক জীৱনৰ অনবদ্য ছবি। পদ্মাৰ বুকুত কঠোৰ পৰিশ্ৰমেৰে মাছ ধৰা আৰু সিবোৰ পণ্য-সামগ্ৰী হিচাপে উপযুক্ত মূল্য অবিহনেই বজাৰত বিক্ৰী কৰা, সিহঁতৰ নাও-জাল আদি আহিলা, মাছ ধৰাৰ কায়দা-কিটিপ, কঠিন জীৱন-যাত্ৰা, দ্বন্দ্ব-খৰিয়াল, জন্ম-মৃত্যু-বিবাহ, সামূহিক জন-জীৱন ইত্যাদি গোষ্ঠীবদ্ধ জীৱনৰ প্ৰাত্যহিক দুখ-দুৰ্দশাৰ এই আটাইবোৰ কথা উপন্যাসখনৰ বুকুত জীৱন্ত ৰূপত বিধৃত হৈছে। বিশেষকৈ উপন্যাসখনৰ প্ৰথম অংশৰ অৰ্থাভাৱে জুৰুলা কৰা এই গোষ্ঠী জীৱনৰ ছবি অধিক মৰ্মন্তুদ। ইয়াৰ মাজতে আকৌ ৰথৰ মেলাৰ বিৱৰণে সম্প্ৰদায়টোৰ সামূহিক জীৱনৰ আন এটি বিশেষ দিশো উন্মোচিত কৰিছে; সেয়া হ'ল, উৎসৱ-পাৰ্বণৰ মাজত জীৱন-যন্ত্ৰণা পাহৰি ক্ষণিকৰ আনন্দত নিমগ্ন হোৱাৰ প্ৰয়াস।

ৰহস্যময়ী পদ্মাৰ উপকূলৱৰ্তী মাছমৰীয়াসকলৰ কঠিন জীৱন-প্ৰৱাহ, সিহঁতৰ আৰ্থিক তথা সামাজিক শ্ৰেণী-সংগ্ৰাম, সাংস্কৃতিক উপৰিসৌধ— এই আটাইবোৰ বিষয়ত ঔপন্যাসিকজনাৰ ধাৰণা অতিশয় স্বচ্ছ, বিকাৰহীন আৰু সংস্কাৰ-মুক্ত। ওৰেটো ৰাতি জাল বাই ভোক আৰু ভাগৰত বিধ্বস্ত হৈ যেতিয়া গণেশ মাঝিয়ে কয়, "একখানা গীত ক' দেখি কুবিৰ", তেতিয়া পাঠকৰ এই কথা বুজিবলৈ বাকী নাথাকে যে লেখকে সংগীত যে কেৱল আমোদ-প্ৰমোদৰ উপকৰণ নহয় ; বৰং শোষিত মানুহৰ জীৱন-সংগ্ৰামত তাৰ প্ৰভাৱ আৰু বেছি ব্যাপক, সেই কথাকে জনাব বিচাৰিছে। সেই তত্ত্বকে অধিক দৃঢ়ৰূপ দিবলৈ কুবেৰৰ মুখেৰে কোৱাইছে, "আমাগোৰ যুগইল্যা মুখে মুখে ছড়া বাইন্ধ্যা দেয়"। ইয়াৰ লগে লগে কাহিনীভাগলৈ আগমন ঘটিছে কুবেৰৰ অশিক্ষিত, অমাৰ্জিত, পঙ্গু স্ত্ৰী মালাৰ সাধু কোৱাৰ অপূৰ্ব ক্ষমতাৰ কথা। সেইদৰে আমিনবাৰীৰ বজাৰত গ্ৰাম্য জীৱন-যাত্ৰাই নগৰীয়া সংস্কৃতিৰ প্ৰভাৱত পৰি কেনে উদ্ভট ৰূপ লৈ জনৰুচি তৃপ্ত কৰিবলৈ লৈছে, সেই কথাও প্ৰাসঙ্গিকভাৱে উল্লিখিত হৈছে। সৰু সৰু লোক-উৎসৱ, ৰথৰ মেলা, লোক-সংস্কাৰ,

2020.04.02 1